ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# কানি আৰু ৰাজহ বিধি (প্ৰয়োগৰ বিস্তাৰণ) অধিনিয়ম, ১৯৫০

(১৯৫০ ৰ ৩৩ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Opium And Revenue Laws (Extension of Application) Act, 1950

(Act No. 33 of 1950)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান কানি আৰু ৰাজহ বিধি (প্ৰয়োগৰ বিস্তাৰণ) অধিনিয়ম, ১৯৫০ (১৯৫০ৰ ৩৩ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ৪৩ৰ পৰা ৪৭ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব।

## PREFACE

This edition of the Opium and Revenue Laws (Extension of Application) Act, 1950 (33 of 1950) as on the Ist April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on Pages 43 to 47.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 22-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

# কানি আৰু ৰাজহ বিধি (প্ৰয়োগৰ বিস্তাৰণ) অধিনিয়ম, ১৯৫০

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ—

১। সংক্ষিপ্ত নাম।

২। নিৰ্দিষ্ট কিছুমান কানি আৰু ৰাজহ বিধিৰ ভাৰতৰ নিৰ্দিষ্ট কিছুমান অংশলৈ বিস্তাৰণ।

৩। আয়কৰ অনুসন্ধান সম্পৰ্কীয় ৰাজ্যিক বিধিবোৰৰ সাল-সলনি।

৪। নিৰসন আৰু ব্যাবৃত্তি।

৫। কঠিনতাৰ দূৰীকৰণ।

অনুসূচী—

# কানি আৰু ৰাজহ বিধি (প্ৰয়োগৰ বিস্তাৰণ) অধিনিয়ম, ১৯৫০

১৯৫০ৰ ৩৩ নং অধিনিয়ম

**(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

[১৮ এপ্ৰিল, ১৯৫০]

নিৰ্দিষ্ট কিছুমান কানি আৰু ৰাজহ বিধিক ভাৰতৰ নিৰ্দিষ্ট কিছুমান অংশলৈ বিস্তাৰণৰ উপবন্ধ কৰণাৰ্থে এখন অধিনিয়ম।

সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত হ'ল ঃ—

সংক্ষিপ্ত নাম।

১। এই অধিনিয়মক কানি আৰু ৰাজহ বিধি (প্ৰয়োগৰ বিস্তাৰণ) অধিনিয়ম, ১৯৫০ বোলা হব।

নিৰ্দিষ্ট কিছুমান কানি আৰু ৰাজহ বিধিৰ ভাৰতৰ নিৰ্দিষ্ট কিছুমান অংশলৈ বিস্তাৰণ।

২। (১) নিম্ন লিখিত অধিনিয়ম সমূহ, অৰ্থাৎ,—

(i) কানি অধিনিয়ম, ১৮৫৭, — ১৮৫৭ৰ ১৩।

(ii) কানি অধিনিয়ম, ১৮৭৮, — ১৮৭৮ ৰ ১।

(iii) ৰাজহ উচলকৰণ অধিনিয়ম, ১৮৯০, — ১৮৯০ ৰ ১।

(iv) চৰকাৰী ব্যৱসায় কৰাৰোপণ অধিনিয়ম, ১৯২৬, — ১৯২৬ ৰ ২

(v) বিপদজনক দৰৱ অধিনিয়ম, ১৯৩০, — ১৯৩০ ৰ ২।

(vi) আয়ৰ ওপৰত কৰাৰোপণ (অনুসন্ধান আয়োগ) অধিনিয়ম, ১৯৪৭, — ১৯৪৭ৰ৩০

(vii) কৰ শোধন (সম্পত্তি হস্তান্তৰ কৰণ) অধিনিয়ম, ১৯৪৯, — ১৯৪৯ৰ২২।

আৰু তদধীনে কৰা সকলো নিয়মাৱলী আৰু আদেশ যিবোৰ ভাৰতৰ কিছুমান নিৰ্দিষ্ট অংশত এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বলৈ বলবত্ হৈ আছে তাক এতদ্বাৰা জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে ভাৰতৰ অৱশিষ্ট অংশলৈ বিস্তাৰিত কৰা হ'ল আৰু সেই অংশত ই বলবত্ হ'ব।

(২) অনুসূচীত নিৰ্দিষ্ট কৰা সালসলনি বিলাক উক্ত অধিনিয়ম সমূহত কৰা হব।

আয়কৰ অনুসন্ধান সম্পৰ্কীয় ৰাজ্যিক বিধিবোৰৰ সালসলনি।

৩। যদি এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে জম্মু আৰু কাশ্মীৰৰ বাদে খ খণ্ডৰ কোনো ৰাজ্যত ১৯৪৭ চনৰ আয় কৰাৰোপণ (অনুসন্ধান আয়োগ) অধিনিয়মৰ অনুৰূপ কোনো বিধি ১৯৪৭ৰ৩০

( এতত্পশ্চাৎ এই ধাৰাত 'ৰাজ্যিক বিধি' বুলি উল্লিখিত ) বলবত্ আছে, সেই বিধি নিম্ন লিখিত সালসলনিৰে বলবত্ থাকিব, অৰ্থাৎ ঃ-

(ক) ৰাজ্যিক আয়োগলৈ (যি নামেৰেই নামাকৰণ কৰক) উৎপ্ৰেৰিত বা তাত লম্বিত থকা কৃষি আয়ৰ বাহিৰে আয় কৰাৰোপণ সম্পৰ্কীয় সকলো গোচৰ কেন্দ্ৰীয় আয়োগলৈ নিষ্পত্তিৰ বাবে হস্তান্তৰ কৰা হ'ল ঃ

পৰন্তু, কেন্দ্ৰীয় আয়োগে কেৱল এই ধাৰাৰ উপবন্ধ মতে কোনো গোচৰ হস্তান্তৰ কৰাৰ যুক্তিত সেই গোচৰত সাক্ষ্য দিয়া সাক্ষীক পুনৰ তলব কৰা বা পুনৰ শুনাৰ বাবে বাধ্য নহব আৰু আদিতে যি আয়োগে তদন্ত কৰিছিল সেই আয়োগে ইতিমধ্যে নথিভুক্ত কৰা বা উক্ত আয়োগৰ সন্মুখত ইতিমধ্যে দাখিল কৰা সাক্ষ্যৰ ওপৰতে কাৰ্য কৰিব পাৰিব ;

[১](খ) খণ্ড (ক) মতে কেন্দ্ৰীয় আয়োগলৈ হস্তান্তৰিত গোচৰবোৰ নিষ্পত্তি কৰাত আয় কৰাৰোপণ ( অনুসন্ধান আয়োগ ) অধিনিয়ম, ১৯৪৭ অধীনে ইয়ালৈ উত্প্ৰেৰিত গোচৰ তদন্ত কৰোতে ইয়াৰ যি ক্ষমতা থাকে আৰু ই প্ৰয়োগ কৰে সেই একে ক্ষমতাই ইয়াৰ থাকিব আৰু সেই অধিনিয়মৰ ৪ ধাৰাৰ উপধাৰা (৩)ৰ অধীনত থকা কালৰ সৈতে একে কালৰ বাবে কাৰ্য কৰিবলৈ স্বত্ববান হব ; ১৯৪৭ৰ ৩০

(খখ) এই অধিনিয়ম প্ৰাৰম্ভণৰ আগতে বা পিচতে ত্ৰিবাঙ্কুৰ বা ত্ৰিবাঙ্কুৰ কোচিনৰ মুখ্য ৰাজহ প্ৰাধিকাৰীয়ে সেই ৰাজ্যত তত্কালীন বলবত্ থকা কোনো বিধিয়ে অৰ্পণ কৰা ক্ষমতাৰ ব্যৱহাৰক্ৰমে বা অভিপ্ৰেত ব্যৱহাৰ ক্ৰমে দিয়া কোনো সিদ্ধান্ত ত্ৰিবাংকুৰ কৰাৰোপণ (তদন্ত আয়োগ) অধিনিয়ম, ১১২৪ৰ ৮ ধাৰাৰ উপধাৰা (২)ৰ বাবে আয়কৰ প্ৰাধিকাৰীৰ সিদ্ধান্ত বুলি বিবেচিত হব ; ১১২৪ৰ ১৪ নং ত্ৰিবাঙ্কুৰ অধিনিয়ম।

(গ) কৃষি আয়ৰ বাহিৰে আন আয় সম্বন্ধে ৰাজিক বিধিত যি ধৰণৰ শব্দৰেই কৰা নহওক ৰাজ্য চৰকাৰ বা ৰাজ্যিক আয়োগৰ বিষয়ে কৰা উল্লেখক যথাস্থিতি কেন্দ্ৰীয় চৰকাৰৰ বা কেন্দ্ৰীয় আয়োগৰ বিষয়ে কৰা উল্লেখ বুলি অৰ্থাৰোপ কৰা হব

(ঘ) কেন্দ্ৰীয় আয়োগৰ প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব আৰু কেন্দ্ৰীয় চৰকাৰে লিখিত হুকুমৰ দ্বাৰা উচিত বিবেচনা ক্ৰমে নিৰ্দেশ দিব পাৰিব যে ৰাজ্যত বলবৎ থকা বিধিৰ অধীনে আয়কৰ, অধিকৰ বা অতিৰিক্ত লাভ কৰ বা আন যি কোনো বিধি সম্বন্ধে হোৱা এনে কাৰ্যবাহী কোনো ব্যক্তিৰ বিৰুদ্ধে চলাব লাগিব, যাৰ বিৰুদ্ধে প্ৰতিবেদনত কৃষি আয়ৰ বাহিৰে তেওঁৰ আন আয় সম্পৰ্কে উল্লেখ থাকে আৰু এনে এটা নিৰ্দেশ দিলে ৰাজ্যত প্ৰযোজ্য সমুচিত বিধি মতে এনেধৰণৰ সকলো কাৰ্যবাহী লব লাগিব আৰু সম্পূৰ্ণ কৰিব লাগিব, যেনিবা এই নিৰ্দেশ দিয়াই আছিল আৰু তাৰ অধীনে কাৰ্যবাহী ৰুজু হৈছিলেই ;

(ঙ) যি ক্ষেত্ৰত ৰাজ্যত বলবত্ থকা যি কোনো বিধিৰ অধীনে এজন কৰদাতাৰ দিব লগা কৰ নিৰ্দ্ধাৰণ কৰাৰ বাবে কৃষি আয়কো তেওঁৰ মুঠ আয়ৰ অন্তৰ্ভুক্ত কৰিব লগা হয় তেনে ক্ষেত্ৰত কৃষি আয়ৰ বাহিৰে তেওঁৰ দিব লগা আয়কৰ তেনে-

---

৪৪ নং আইন ১৯৫১ দ্বাৰা প্ৰতিষ্ঠাপিত কৰা হৈছে।

পৰিমাণৰ হব বুলি একত্ৰিত ভাৱে নিৰ্দ্ধাৰণ কৰা হলে ৰাজ্যত বলবত্ থকা সমুচিত বিধি মতে দিব লগা হ'লহেঁতেন সেই পৰিমাণৰ লগত সম্বন্ধিত অনুপাত হব কৃষি আয়কে ধৰি মুঠ আয়ৰ লগত এই আয়ৰ যি সমানুপাত তাৰ সৈতে একে হব;

পৰন্তু, ৰাজ্যত বলবত্ থকা সমুচিত বিধিয়ে এই উদ্দেশ্যে কৃষি আয়ৰ ওপৰত কোনো কৰ ৰেহাই দিলে তাক বিবেচনা কৰা নহব।

স্পষ্টীকৰণঃ—এই ধাৰাত 'কেন্দ্ৰীয় আয়োগ' মানে আয় কৰাৰোপণ (তদন্ত আয়োগ) অধিনিয়ম, ১৯৪৭ৰ অধীনে গঠন কৰা আয়কৰ তদন্ত আয়োগ। ১৯৪৭ৰ ৩০

নিৰসন আৰু ব্যাবৃত্তি। ৪। যদি এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বলৈ জম্মু আৰু কাশ্মীৰৰ বাহিৰে খ খণ্ডৰ কোনো ৰাজ্যত বা কোচবিহাৰৰ চামিলকৰা ৰাজ্য ক্ষেত্ৰত আয় কৰাৰোপণ (তদন্ত আয়োগ) অধিনিয়ম, ১৯৪৭ৰ বাহিৰে ২ধাৰাত বিনিৰ্দিষ্ট কৰা অধিনিয়ম সমূহৰ অনুৰূপ কোনো বিধি বলবত্ হৈ থাকে সেই বিধি এই অধিনিয়মৰ প্ৰাৰম্ভণৰ লগে লগে নিৰসিত হব :

পৰন্তু, এই নিৰসনে—

(ক) সেই বিধিৰ পূৰ্ব প্ৰৱৰ্তনক, বা

(খ) এই বিধিৰ বিৰুদ্ধে কৰা কোনো অপৰাধৰ সম্পৰ্কত অৰ্জন কৰা কোনো জৰিমনা, বাজেয়াপ্তকৰণ বা শাস্তিক, বা

(গ) এনেধৰণৰ জৰিমনা বাজেয়াপ্তকৰণ বা শাস্তিৰ সম্পৰ্কত কোনো তদন্ত, ন্যায়িক কাৰ্যবাহী বা প্ৰতিকাৰক প্ৰভাৱিত নকৰিব;

আৰু যিকোনো তেনে তদন্ত, ন্যায়িক কাৰ্যবাহী বা প্ৰতিকাৰ ৰুজু কৰিব পাৰিব, চলি থাকিব পাৰিব বা বলবৎ হব পাৰিব আৰু তেনে যিকোনো জৰিমনা, বাজেয়াপ্তকৰণ, বা শাস্তি অধিৰোপিত হব পাৰে, যেনিবা এই অধিনিয়ম পাৰিত হোৱাই নাছিল :

পৰন্তু, সেই বিধিৰ কোনো উপবন্ধ মতে কোনো কাৰ্য কৰিলে বা কাৰ্য ব্যৱস্থা ললে সি এতিয়া ৰাজ্যলৈ বিস্তাকৰা কৰা কেন্দ্ৰীয় অধিনিয়মৰ অনুৰূপ উপবন্ধ মতে কাৰ্য ৰিত হব বা কাৰ্যব্যৱস্থা লোৱা বুলি পৰিগণিত হব।

কঠিনতাৰ দূৰীকৰণ। ৫। যদি ভাৰতৰ এনে কোনো অংশত এতিয়া বিস্তাৰিত কৰা কোনো অধিনিয়ম, নিয়মাৱলী বা আদেশৰ উপবন্ধ সমূহ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ আগলৈ বলবত্ আছিল, কাৰ্যকৰী কৰাত কোনো কঠিনতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত আদেশ প্ৰকাশ কৰি তেনে কোনো উপবন্ধ কৰিব পাৰে বা নিৰ্দেশ দিব পাৰে যিটো কঠিনতা দূৰীকৰণৰ বাবে আৱশ্যক যেন দেখা যায়।

# অনুসূচী

[ধাৰা ২ (২) চাওঁক]

সংশোধিত অধিনিয়ম সমূহ

| চন | নম্বৰ | সংক্ষিপ্ত নাম | সংশোধন |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১৮৫৭ | ১৩ | কানি অধিনিয়ম, ১৮৫৭ | (১) প্ৰস্তাৱনাত 'বঙ্গৰ ফোট উইলিয়াম প্ৰেচিডেনসি' শব্দ কেইটা বাদ দিয়ক।<br><br>(২) ১ ধাৰাত নিম্ন লিখিত খিনি ভুক্ত কৰক অৰ্থাৎ ঃ-<br>"১। সংক্ষিপ্ত নাম আৰু বিস্তাৰঃ—(১) এই অধিনিয়মক কানি অধিনিয়ম, ১৮৫৭ বোলা হয়।<br>(২) জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাদে সমগ্ৰ ভাৰতত ই বিস্তৃত হব।" |
| ১৮৭৮ | ১ | কানি অধিনিয়ম, ১৮৭৮ | (১)১ ধাৰাত 'ই বিস্তৃত হব' ৰে আৰম্ভ হোৱা আৰু 'এই মৰ্মে নিৰ্দেশ দিব' ৰে শেষ হোৱা শব্দাৱলীৰ বাবে নিম্ন লিখিত খিনি প্ৰতিস্থাপিত কৰিব অৰ্থাৎ :—<br>'জম্মু আৰু কাশ্মীৰ ৰাজ্যত বাদে সমগ্ৰ ভাৰতত বিস্তৃত হব'।<br><br>(২)৩ ধাৰাত "আমদানি", "ৰপ্তানি", "পৰিবহন", বিক্ৰী" আৰু "বেচা" ৰ পৰিভাষাক নিম্নলিখিত ধৰণে প্ৰতিস্থাপিত কৰক অৰ্থাৎঃ—<br><br>"শুল্ক সীমান্ত"ৰ অৰ্থ কেন্দ্ৰীয় চৰকাৰে সমুদ্ৰ শুল্ক অধিনিয়ম, ১৮৭৮ ৰ ৩ক ধাৰাত পৰিভাষিত মতে ভাৰতৰ কোনো শুল্কসীমান্ত হব;<br><br>'আমদানি' আৰু "ৰপ্তানিৰ" অৰ্থ কোনো শুল্কসীমান্তইদি নহৈ অন্য ঠাঁয়েদি যথাক্ৰমে এখন ৰাজ্যৰ যথাক্ৰমে ভিতৰলৈ অনা আৰু বাহিৰলৈ উলিওৱা ;<br><br>"পৰিবহন"ৰ অৰ্থ ৰাজ্যৰ এঠাইৰ পৰা আন এঠাইলৈ কৰা স্থানান্তৰ।<br><br>"বিক্ৰী" য়ে শুল্কসীমান্তৰ পাৰ কৰি নিয়া ৰপ্তানিৰ বাবে কৰা বিক্ৰীক ভুক্ত নকৰে আৰু "বেচা"ৰ অৰ্থাৰোপো সেইদৰে কৰা হব। |

| ১ | ২ | ৩ | ৪ |
| --- | --- | --- | --- |
| ১৮৯০ | ১ | ৰাজহ উচল কৰণ অধিনিয়ম,১৮৯০ | (১)১ ধাৰাৰ উপধাৰা (২) ত থকা শব্দ আৰু বৰ্ণ 'খণ্ড খ ৰ ৰাজ্য,' ৰ বাবে 'জম্মু আৰু কাশ্মীৰ ৰাজ্য', শব্দ কেইটা প্ৰতিষ্ঠাপিত কৰক।<br>(২) ৪ ধাৰাৰ উপধাৰা (৪) ত থকা শব্দ আৰু বৰ্ণ "এখন ক খণ্ডৰ ৰাজ্য বা এখন গ খণ্ডৰ ৰাজ্য' ৰ বাবে "কোনো ৰাজ্য খলৈকে এই অধিনিয়ম বিস্তাৰ কৰিছে' শব্দ কেইটা প্ৰতিষ্ঠাপিত কৰক। |
| ১৯২৬ | ৩ | চৰকাৰী ব্যৱসায়ৰ কৰ অধিনিয়ম, ১৯২৬ | (১) প্ৰস্তাৱনাত থকা 'বা অভিমিলিত ৰাজ্যৰ বা আন ভাৰতীয় ৰাজ্য চৰকাৰ' শব্দ কেইটা বাদ দিয়ক।<br>(২) ২ ধাৰাৰ—<br>(ক) উপধাৰা (১)ত থকা 'ক খণ্ডৰ ৰাজ্য আৰু গ খণ্ডৰ ৰাজ্য শব্দ কেইটাৰ বাবে ভাৰত' শব্দটো প্ৰতিষ্ঠাপিত কৰক।<br>(খ) উপধাৰা ১ক টো বাদ দিয়ক।<br>(গ) উপধাৰা (৩)'ৰ শেষৰ ফালে নিম্নলিখিত খিনি যোগ দিয়ক, অৰ্থাৎ "আৰু 'ভাৰত' মানে জম্মু আৰু কাশ্মীৰ ৰাজ্য বাদ দি ভাৰতৰ ৰাজ্য ক্ষেত্ৰ"।<br>(৩) ৩ ধাৰাত 'এখন অভিমিলিত ৰাজ্য বা আন ভাৰতীয় ৰাজ্য'ত শব্দ কেইটাৰ বাবে 'খ খণ্ডৰ ৰাজ্যত' শব্দকেইটা আৰু বৰ্ণ কেইটা প্ৰতিষ্ঠাপিত কৰক। |
| ১৯৩০ | ২ | মাৰাত্মক দ্ৰব্য অধিনিয়ম, ১৯৩০ | (১) ১ ধাৰাৰ উপধাৰা (২)ত খ খণ্ডৰ ৰাজ্য শব্দ কেইটাৰ বাবে 'জম্মু আৰু কাশ্মীৰ ৰাজ্য' শব্দ কেইটা প্ৰতিষ্ঠাপিত কৰক।<br>(২) ৩৯ ধাৰাৰ উপধাৰা (১)ত 'বা এখন ক খণ্ডৰ ৰাজ্য বা খ খণ্ডৰ ৰাজ্যৰ বিধান মণ্ডলৰ এখন অধিনিয়ম' শব্দ কেইটাৰ আৰু বৰ্ণ কেইটাৰ বাবে বা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ এখন অধিনিয়ম' শব্দ কেইটা প্ৰতিষ্ঠাপিত কৰিব। |
| ১৯৪৭ | ৩০ | আয় কৰাৰোপণ (অনুসন্ধান আয়োগ) অধিনিয়ম, ১৯৪৭ | ১ ধাৰাৰ উপধাৰা (২) ত 'খণ্ড খ ৰাজ্য' শব্দ কেইটাৰ আৰু বৰ্ণ কেইটাৰ বাবে "জম্মু আৰু কাশ্মীৰ ৰাজ্য' শব্দ কেইটা প্ৰতিষ্ঠাপিত কৰক। |
| ১৯৪৯ | ২২ | কৰ শোধন (সম্পত্তি হস্তান্তৰকৰণ) অধিনিয়ম, ১৯৪৯ | (১) ১ ধাৰাৰ উপধাৰা (২)ৰ 'খ খণ্ডৰ ৰাজ্য' শব্দ কেইটা আৰু বৰ্ণ কেইটাৰ বাবে 'জম্মু আৰু কাশ্মীৰ ৰাজ্য' শব্দ কেইটা প্ৰতিষ্ঠাপিত কৰিব।<br>(২) ২ ধাৰাৰ স্পষ্টীকৰণত 'খ খণ্ডৰ ৰাজ্য' শব্দ কেইটা আৰু বৰ্ণ কেইটাৰ বাবে 'জম্মু আৰু কাশ্মীৰ ৰাজ্য' শব্দ কেইটা প্ৰতিষ্ঠাপিত কৰিব। |

———

## কানি আৰু ৰাজহ বিধি (প্ৰয়োগৰ বিস্তাৰণ) অধিনিয়ম,১৯৫০

### শুদ্ধৰ্বাণ

| পৃষ্ঠা | ধাৰা | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ৩ | ৪ (গ)ৰ নৱম শাৰী | বিস্তাকৰা | বিস্তাৰিত |
| ৩ | ৪ (গ)ৰ দশম শাৰী | কাৰ্যৰিত | কাৰ্য কৰা |